# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date : 12**-06-2024

**Time :** 0900 Hrs.

## *ASSAMESE REGIONAL MORNING BULLETIN*

**:::::::::::::::::::::::::::::::::::::**

## *HEADLINES*

১। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ কামৰূপ জিলাৰ মৰাভিঠাৰ প্ৰস্তাৱিত আই আই এমৰ স্থান পৰিদৰ্শন। কামৰূপ মহানগৰ জিলাত ৪ খন উপ-জিলা অথবা মহকুমা গঠন কৰা হ'ব বুলি ঘোষণা।

২। ৰাজ্যত বিগত ৩ বছৰত দৈনিক গড়ে ১৫ কিলোমিটাৰ পথ আৰু এখনকৈ দলং নিৰ্মাণ কৰি অহা হৈছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। কেন্দ্ৰীয় কৰৰ অংশ হিচাপে অসমলৈ বিত্ত মন্ত্ৰালয়ৰ ৪ হাজাৰ ৩৭১ কোটি ৩৮ লাখ টকা হস্তান্তৰ।

৪। কেন্দ্ৰীয় বন্দৰ, জাহাজ, পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ দায়িত্ব গ্ৰহণ কৰি সৰ্বানন্দ সোণোৱালৰ এশ দিনৰ কৰ্মসূচী পৰ্যালোচনা।

*আৰু*

৫। নিউয়ৰ্কত হ'বলগীয়া টি-২০ বিশ্বকাপ ক্ৰিকেটৰ এখন খেলত ভাৰত আজি আমেৰিকাৰ মুখামুখি।

০০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি কামৰূপ জিলাৰ মৰাভিঠা আৰু দীঘলকুছিত উপস্থিত হৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা চূড়ান্ত অনুমোদন লাভ কৰা ইণ্ডিয়ান ইনষ্টিটিউট অৱ মেনেজমেণ্ট চমুকৈ আই আই এমৰ স্থাপনৰ বাবে প্ৰস্তাৱিত স্থান পৰিদৰ্শন কৰে। এই প্ৰতিষ্ঠানখন কাৰ্যক্ষম হৈ উঠিলে গুৱাহাটী আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান, ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয়ৰ লগতে ইণ্ডিয়ান ইনষ্টিটিউট অৱ্ মেনেজমেণ্ট নামৰ এই ৪ খন উচ্চ শিক্ষানুষ্ঠানত দেশৰ বিভিন্ন প্ৰান্তৰ শিক্ষাৰ্থীসকলক আতিথ্য প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। তেওঁ লগতে উচ্চ শিক্ষাৰ বিশেষ শিক্ষাৰ ক্ষেত্ৰত এনেধৰণৰ ইতিবাচক উন্নয়নে পলাশবাৰী বিধানসভা সমষ্টিক অঞ্চলটোৰ শৈক্ষিক কেন্দ্ৰলৈ ৰূপান্তৰিত কৰাত অৰিহণা যোগাব বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যত আই আই এমৰ বাবে কেন্দ্ৰই চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰাটো ৰাজ্যবাসীৰ বাবে অতি আনন্দ আৰু গৌৰৱৰ বিষয়। কেন্দ্ৰীয় চৰকাৰে আই আই এমখনৰ বাবে এহেজাৰ কোটি টকাৰ অনুমোদন দিয়াৰ সম্ভাৱনা আছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

আজাৰাৰ ৰাজধৰ বৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অব্যাহত থকা আন্তঃগাঁথনি উন্নয়নৰ কাম-কাজ আৰু জালুকবাৰীৰ হজ ভৱনত প্ৰস্তাৱিত উপ-জিলা কাৰ্যালয় স্থাপনৰ বাবে চলি থকা কাম-কাজো মুখ্যমন্ত্ৰীগৰাকীয়ে পৰ্যবেক্ষণ কৰে। উপ-জিলা কাৰ্যালয় ভৱনৰ কাম-কাজ পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে গুৱাহাটী সদৰ জিলা বাদ দি কামৰূপ মহানগৰ জিলাত ৪ খন উপ-জিলা অথবা মহকুমা গঠন কৰা হ'ব। চলিত বৰ্ষৰ আগষ্টৰ ভিতৰত এই সকলোবোৰ কাৰ্যক্ষম কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে ৰাজ্যত সমষ্টি অনুপাতে এই উপ-জিলাসমূহ গঠন কৰা হ'ব আৰু ২০২৫ চনৰ ভিতৰত সমগ্ৰ ৰাজ্যত সকলো প্ৰস্তাৱিত উপ-জিলা সম্পূৰ্ণৰূপে কাৰ্যক্ষম কৰাৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰা হ'ব। আনহাতে, ৰাজ্য চৰকাৰে ১২৬ খন বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নীতকৰণৰ বাবে শীঘ্ৰে অনুমোদন জনাব বুলিও মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে।

০০০০০০০০

ৰাজ্যত বিগত তিনিটা বছৰত দৈনিক গড়ে ১৫ কিলোমিটাৰ পথ আৰু এখনকৈ দলং নিৰ্মাণ কৰি অহা হৈছে। ৰাজ্যৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা এই পদক্ষেপ সন্দৰ্ভত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই তথ্য সদৰি কৰিছে। ডং শৰ্মাই প্ৰকাশ কৰা মতে তেওঁৰ কাৰ্যকালত ৰাজ্যত মুঠ ১৩ হাজাৰ ৩৮০ কিলোমিটাৰ পথ নিৰ্মাণ সম্পূৰ্ণ হৈছে। একেদৰে যোৱা ৩ বছৰত এহেজাৰ ৪২ খন দলঙৰ কাম সম্পূৰ্ণ হৈছে। এই সময়ছোৱাত ৰাজ্যত ৫খন উৰণ সেঁতু আৰু ৫ খন পথ দলঙৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে কালি এই তথ্য ৰাজহুৱা কৰিছে।

০০০০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ে ২০২৪ চনৰ জুনৰ বাবে কৰৰ অংশ হিচাপে ৰাজ্যসমূহলৈ ১ লাখ ৩৯ হাজাৰ কোটিতকৈও অধিক টকা মুকলি কৰি দিছে। ইয়াৰে অসমে ৪ হাজাৰ ৩৭১ কোটি ৩৮ লাখ টকা লাভ কৰিছে। বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই ধনৰাশিয়ে ৰাজ্যসমূহক উন্নয়নমূলক কাম-কাজ খৰতকীয়া কৰাৰ লগতে মূলধনী ব্যয়ৰ ক্ষেত্ৰত সহায় কৰিব। উত্তৰ প্ৰদেশে সৰ্বাধিক ২৫ হাজাৰ কোটিতকৈও অধিক টকা লাভ কৰিছে। বিহাৰে ১৪ হাজাৰ কোটিতকৈও অধিক টকা, মধ্যপ্ৰদেশে প্ৰায় ১১ হাজাৰ কোটি আৰু পশ্চিমবংগই ১০ হাজাৰ কোটিতকৈও অধিক টকা লাভ কৰিছে। উল্লেখযোগ্য যে ২০২৪-২৫ চনৰ অন্তৰ্বৰ্তীকালীন বাজেটত ৰাজ্যসমূহলৈ কৰ হস্তান্তৰৰ ক্ষেত্ৰত প্ৰায় ১২ লাখ ২০ হাজাৰ কোটি টকা আগবঢ়োৱাৰ ব্যৱস্থা আছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে যোগক নিজৰ জীৱনৰ অবিচ্ছেদ্য অংগ হিচাপে গঢ়ি তুলিবলৈ সকলোকে আহ্বান জনাইছে। অহা ২১ জুনত হ'বলগীয়া দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ পৰিপ্ৰেক্ষিতত সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে প্ৰধানমন্ত্ৰীয়ে কয় যে যোগ হৈছে একতা আৰু সমন্বয়ক উদযাপন কৰা শাশ্বত অনুশীলন। আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্ততো বিশেষ কাৰ্যসূচীৰ হাতত লোৱা হৈছে। দৈনিক যোগ অভ্যাসৰে কিদৰে নিৰোগী হৈ থাকিব পাৰি এই সন্দৰ্ভত যোগ প্ৰশিক্ষক জয়ন্ত বেজে এইদৰে কয় -

-ভইচ কাষ্ট-

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে সামাজিক মাধ্যমৰ একাউণ্টৰ পৰা মোডী কা পৰিবাৰ বাক্যশাৰী আঁতৰ কৰিবলৈ জনসাধাৰণক অনুৰোধ জনাইছে। তেওঁ সামাজিক মাধ্যমৰ এটা পোষ্টত কালি কয় যে  নিৰ্বাচনী প্ৰচাৰৰ সময়ত সমগ্ৰ দেশৰ জনসাধাৰণে তেওঁৰ প্ৰতি মৰম ভালপোৱাৰ চিনস্বৰূপে ছ'চিয়েল মিডিয়াত নিজৰ পৰিচয়ৰ সৈতে মোডী কা পৰিবাৰ বাক্যশাৰীত যোগ কৰিছে আৰু ইয়াৰ পৰা তেওঁ যথেষ্ট শক্তি লাভ কৰিছে। জনসাধাৰণে এন ডি এক দেশৰ উন্নয়নৰ হকে কাম কৰি যাবলৈ জনাদেশ দিয়া বুলিও তেওঁ উল্লেখ কৰে।

০০০০০০০০

তেলুগু দেশম পাৰ্টীৰ মুৰব্বী চন্দ্ৰবাবু নাইডুৱে আজি অন্ধ্ৰ প্ৰদেশৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। এই উপলক্ষে দিনৰ ১১ বাজি ২৭ মিনিটত বিজয়ৱাড়া আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ সমীপৰ কেশৰপল্লী আই টি উদ্যানত শপত গ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু ভালেসংখ্যক বিশিষ্ট ব্যক্তি এই অনুষ্ঠানত উপস্থিত থকাৰ সম্ভাৱনা আছে। ইয়াৰ পূৰ্বে শ্ৰীনাইডুৱে কালি ৰাজ্যপাল এছ আব্দুল নজিৰক সাক্ষাৎ কৰে আৰু চৰকাৰ গঠনৰ বাবে দাবী জনায়। ৰাজ্যপালে শ্ৰীনাইডুক এন ডি এৰ বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত হোৱাৰ বাবে অভিনন্দন জ্ঞাপন কৰে আৰু চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ জনায়।

০০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা মোহন চৰণ মাঝিক ওড়িশাৰ নতুন মুখ্যমন্ত্ৰী হিচাপে বাছনি কৰা হৈছে। শ্ৰীমাঝিয়ে আজি বিয়লি ভূবনেশ্বৰৰ জনতা ময়দানত ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, কেন্দ্ৰীয় মন্ত্ৰী জুৱেল ওৰাম, অশ্বিনী বৈষ্ণৱ আৰু বিজেপি শাসিত ৰাজ্যৰ কেইবাগৰাকীও মুখ্যমন্ত্ৰীয়ে শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। বিজেপিৰ বিধায়িনী দলে কালি ৫২ বছৰীয়া মাঝিক সৰ্বসন্মতিক্ৰমে নেতা হিচাপে বাছনি কৰে। কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং আৰু ভূপেন্দ্ৰ যাদৱ বিধায়িনী দলৰ বৈঠকত কেন্দ্ৰীয় পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে। মোহন চৰণ মাঝি ক্যোনঝৰ সমষ্টিৰ পৰা চাৰিবাৰকৈ বিধানসভালৈ নিৰ্বাচিত হৈছে। তেওঁ ২০০০, ২০০৪, ২০১৯ আৰু ২০২৪ চনত সমষ্টিটোৰ পৰা নিৰ্বাচনত জয়ী হৈছে। বিজেপিয়ে লগতে দলৰ জ্যেষ্ঠ নেতা কনক বৰ্দ্ধন সিংদেও আৰু প্ৰভাতি পাৰিদাক উপ-মুখ্যমন্ত্ৰী হিচাপে বাছনি কৰিছে।

০০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নৰেন্দ্ৰ মোডী মন্ত্ৰীসভাৰ তৃতীয়টো কাৰ্যকালত পুনৰ বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰালয়ৰ দায়িত্ব লাভ কৰি পৰৱৰ্তী ১০০ দিনৰ কৰ্মসূচী পৰ্যালোচনা কৰে। মোডী কেবিনেটৰ জ্যেষ্ঠ সদস্যৰূপে দায়িত্ব গ্ৰহণ কৰি সোণোৱালে কালি তেওঁৰ বিভাগৰ ৰাজ্যিক মন্ত্ৰী শান্তনু ঠাকুৰ প্ৰমুখ্যে কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলৰ সৈতে মত-বিনিময় কৰে। তেওঁ দেশৰ বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ খণ্ডকে ধৰি সামুদ্ৰিক খণ্ডৰ বিকাশৰ যাত্ৰাক নৱৰূপ দি আগুৱাই নিয়াৰ বাবে দায়বদ্ধতাৰে কাম কৰিবলৈ সকলোকে আহ্বান জনায়। সোণোৱালে কয় যে এখন বিকশিত আত্মনিৰ্ভৰ আৰু সমৃদ্ধিশালী ভাৰত গঢ়াৰ দিশত দেশৰ প্ৰতি সমৰ্পিত সেৱা আগবঢ়োৱাৰ বাবে আমি সংকল্পবদ্ধ হ'ব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰালয়ে সামুদ্ৰিক খণ্ডক শক্তিশালী কৰাৰ দিশত নিৰন্তৰ কাম কৰি আহিছে। মন্ত্ৰী সোণোৱালে ৰাজ্যিক মন্ত্ৰী ঠাকুৰ আৰু উচ্চপদস্থ বিষয়াসকলৰ সৈতে মন্ত্ৰণালয়টোৰ পৰৱৰ্তী ১০০ দিনৰ কৰ্মসূচী সন্দৰ্ভতো পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীয়ে প্ৰতিজন মন্ত্ৰীক ১০০ দিনৰ কৰ্মসূচীৰে আগবাঢ়িবলৈ পৰামৰ্শ আগবঢ়াইছিল।

ইফালে, মোডী মন্ত্ৰীসভাত প্ৰথমবাৰৰ বাবে বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ বিভাগৰ ৰাজ্যমন্ত্ৰী ৰূপে পৱিত্ৰ মাৰ্ঘেৰিটাই কাৰ্যভাৰ গ্ৰহণ কৰে। মন্ত্ৰালয়ৰ দায়িত্ব গ্ৰহণ কৰি কালি পুৱা বিভাগটোৰ ৰাজ্যিক মন্ত্ৰী কাৰ্যালয়ৰ শীৰ্ষ বিষয়াসকলৰ লগত তেওঁ এখন বৈঠকত মিলিত হৈ কাম-কাজৰ বুজ লয়। দিনৰ ভাগত মাৰ্ঘেৰিটা বৈদেশিক মন্ত্ৰালয়ত উপস্থিত হয় আৰু বিভাগীয় এখন বৈঠকত ভাগ লয়। এই বৈঠকত বৈদেশিক পৰিক্ৰমা বিভাগৰ কেবিনেট মন্ত্ৰী এছ. জয়শংকৰ আৰু দ্বিতীয়জন ৰাজ্যিক মন্ত্ৰী কীৰ্তিবৰ্ধন সিঙো উপস্থিত থাকে।

০০০০০০০০

লেফটেনেণ্ট জেনেৰেল উপেন্দ্ৰ দ্বিৱেদীক পৰৱৰ্তী স্থল সেনাধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে। অহা ৩০ জুনত তেওঁ কাৰ্যভাৰ গ্ৰহণ কৰিব। বৰ্তমানৰ স্থল সেনাধ্যক্ষ জেনেৰেল মনোজ পাণ্ডেৰ অৱসৰৰ বাবে শ্ৰী দ্বিৱেদীক তেওঁৰ স্থলাভিষিক্ত কৰা হ'ব।

১৯৬৪ চনৰ পহিলা জুলাইত জন্মগ্ৰহণ কৰা লেফটেনেণ্ট জেনেৰেল উপেন্দ্ৰ দ্বিৱেদীয়ে ১৯৮৪ চনৰ ১৫ ডিচেম্বৰত ভাৰতীয় সেনাৰ পদাতিক বাহিনী জম্মু-কাশ্মীৰ ৰাইফলছত যোগদান কৰিছিল। প্ৰায় ৪০ বছৰজোৰা দীঘলীয়া আৰু বিশিষ্ট সেৱা কালত তেওঁ বিভিন্ন পদত সেৱা আগবঢ়াইছে। স্থলসেনা বাহিনীৰ উপ-সেনা মুৰব্বী হিচাপে নিযুক্তি লাভ কৰাৰ পূৰ্বে লেফটেনেণ্ট জেনেৰেল দ্বিৱেদীয়ে ২০২২ৰ পৰা ২০২৪ চনলৈ পদাতিক বাহিনীৰ সঞ্চালক প্ৰধান আৰু উত্তৰ কামাণ্ডৰ মুখ্য কাৰ্যালয়ৰ জেনেৰেল অফিচাৰ কামাণ্ডিং ইন চীফসহ ভালেমান গুৰুত্বপূৰ্ণ পদত সেৱা আগবঢ়াই আহিছে।

oooooooo

অইল ইণ্ডিয়া লিমিটেডৰ আৱাসিক মুখ্য বিষয়া হিচাপে কাৰ্যবাহী সঞ্চালক ৰূপজ্যোতি ফুকন নিৰ্বাচিত হৈছে। অহা ৩১ আগষ্টত বৰ্তমানৰ অইলৰ আৱাসিক মুখ্য বিষয়া আনফৰ আলী হকে অৱসৰ গ্ৰহণ কৰাৰ পাছত অহা ১ ছেপ্তেম্বৰৰ পৰা ৰূপজ্যোতি ফুকনে দায়িত্বভাৰ গ্ৰহণ কৰিব।

oooooooo

অহা ১ জুলাইত গোৱালপাৰা জিলা দিৱস উদযাপন কৰা হ'ব। এই উপলক্ষে জিলা প্ৰশাসনে জিলা দিৱসৰ প্ৰস্তুতি সম্পৰ্কে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন সভা অনুষ্ঠিত কৰে।

oooooooo

কৃষি মন্ত্ৰী অতুল বৰাই কালি গোলাঘাট জিলাৰ বিভিন্ন অঞ্চলত ৰূপায়ণ হৈ থকা চৰকাৰৰ উন্নয়নমূলক আৰু কল্যাণকামী আঁচনিৰ শেহতীয়া কাৰ্যকৰীকৰণ স্থিতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যে অতিৰিক্ত জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকৰ আয়োজন কৰে। তেওঁ বিভিন্ন বিভাগৰ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দিষ্ট সময়-সীমাৰ ভিতৰতে আঁচনিসমূহ ৰূপায়ণ কৰিবলৈ নিৰ্দেশ দিয়ে।

oooooooo

অসমৰ চাহবাগিচাসমূহৰ লোকসকলৰ স্বাস্থ্য সেৱা সহজলভ্য কৰি তোলাৰ লক্ষ্যৰে কালি গুৱাহাটীত ৰাজ্য চৰকাৰৰ শ্ৰম কল্যাণ বিভাগ আৰু হংস ফাউণ্ডেশ্যনৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিৰ জৰিয়তে হংস ভ্ৰাম্যমাণ চিকিৎসা ইউনিট প্ৰকল্পই তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ চাহ বাগিচাৰ শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালৰ লোকসকলৰ নিয়মীয়া স্বাস্থ্য পৰীক্ষা, চিকিৎসা আৰু প্ৰতিৰোধমূলক যত্নসেৱা প্ৰদান কৰাৰ বাবে স্বাস্থ্য সেৱা পেছাদাৰীসকলৰ সৈতে ৪৫খন উন্নত মানৰ এম্বুলেন্সৰ যোগান ধৰিব।

oooooooo

নিউয়ৰ্কৰ নাছাউকাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ভাৰত আজি আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। দুয়োটা দল প্ৰতিযোগিতাত বৰ্তমানলৈ এখনো খেলত পৰাজিত হোৱা নাই। ভাৰতে পাকিস্তান আৰু আয়াৰলেণ্ডৰ বিৰুদ্ধে বিজয় সাব্যস্ত কৰাৰ বিপৰীতে আমেৰিকাই কানাডা আৰু পাকিস্তানক পৰাভূত কৰিছে। ভাৰত উন্নত ৰাণ ৰেটৰ ভিত্তিত গ্ৰুপৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে। আনহাতে আমেৰিকা দ্বিতীয় স্থানত আছে।

এণ্টিগুৱাত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত অষ্ট্ৰেলিয়াই নামিবিয়াক ৯ উইকেটত পৰাস্ত কৰে। খেলখনত নামিবিয়াই প্ৰথমে বেট ধৰি ১৭ অ'ভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৭২ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই ৫ অ'ভাৰ চাৰিটা বলত এটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

আনহাতে, ফ্লৰিডাত শ্ৰীলংকা আৰু নেপালৰ মাজত হ'বলগীয়া খেলখন এটাও বল নেখেলাকৈ পৰিত্যক্ত ঘোষণা কৰা হৈছে।

ইপিনে, পাকিস্তানে যোৱা নিশা নিউয়ৰ্কৰ নাছাউকাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত কানাডাক ৭ উইকেটত পৰাস্ত কৰে। খেলখনত পাকিস্তানে ১০৭ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অ'ভাৰ আৰু তিনিটা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হয়। পাকিস্তানৰ মহম্মদ ৰিজৱানে ৫৩ আৰু বাবৰ আজমে ৩৩ ৰাণ কৰে।

ইয়াৰ পূৰ্বে কানাডাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ১০৬ ৰাণ কৰে। কানাডাৰ অ'পেনাৰ এৰন জনছনে ৪৪টা বলত ৫২ ৰাণ কৰে। পাকিস্তানৰ হৈ মহম্মদ আমিৰ আৰু হাৰিছ্ ৰউফে দুটাকৈ উইকেট লাভ কৰে। আমিৰক প্লেয়াৰ অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০০০

**কোকৰাঝাৰতো ইভিএমৰ কেৰামতালি** শিৰোনামেৰে **দৈনিক অসম** কাকতে কোকৰাঝাৰ লোকসভা সমষ্টিত ইভিএমৰ পৰা ১০ হাজাৰ ৭৬০ টা ভোট নোহোৱা হোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

দেশৰ বিশ্ববিদ্যালয়সমূহত এতিয়াৰে পৰা বছৰত দুবাৰ নামভৰ্তিকৰণ কৰা হ'ব বুলি বিশ্ববিদ্যালয় অনুদান আয়োগে সিদ্ধান্ত গ্ৰহণ কৰাৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ধুবুৰী লোকসভা সমষ্টিৰ পৰা সাংসদ হিচাপে নিৰ্বাচিত হোৱা কংগ্ৰেছ নেতা ৰকিবুল হুছেইনে চামগুৰি বিধানসভা সমষ্টিৰ বিধায়ক পদৰ পৰা পদত্যাগ কৰাৰ বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ সকলো জিলা আযুক্তক উৎস আৰু বজাৰ দুয়োটাতে সকলো সামগ্ৰীৰ মূল্য নিৰীক্ষণ কৰিবলৈ টাস্ক ফ'ৰ্চ গঠন কৰিবলৈ নিৰ্দেশ দিয়াৰ বাতৰিক **দ্যা চেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মণিপুৰৰ অশান্তজৰ্জৰ পৰিস্থিতিক লৈ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মুৰব্বী মোহন ভগৱতে উদ্বিগ্নতা প্ৰকাশ কৰাৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

**দৈনিক জনমভূমি** কাকতে নাট ইউ জি ২০২৪ৰ ফলাফলৰ বিসংগতিৰ পাছতে দেশজুৰি অব্যাহত থকা প্ৰতিবাদৰ বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বিসংগতি সংক্ৰান্তত উচ্চতম ন্যায়ালয়ত দাখিল হোৱা গোচৰৰ ভিত্তিত কেন্দ্ৰীয় চৰকাৰ আৰু নেচনেল টেষ্টিং এজেঞ্চিক জাননী প্ৰেৰণৰ বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

চীনৰ আগ্ৰাসনক প্ৰত্যাহ্বান জনাই মোদী চৰকাৰে তিব্বতৰ ৩০টা স্থানৰ পুনৰ নামকৰণৰ সিদ্ধান্ত লোৱাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে- বিমান দুৰ্ঘটনাত প্ৰাণ গ'ল মালাৱিৰ উপ-ৰাষ্ট্ৰপতিসহ ১০ জনৰ, ২২ জুনৰ পৰা শক্তিপীঠ কামাখ্যাত অম্বুবাচী মেলা, দ্বিতীয়বাৰৰ বাবে বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ দপ্তৰৰ দায়িত্ব ল'লে সৰ্বানন্দ সোণোৱালে, ১৭ জুন তাৰিখ  সোমবাৰে ইছলাম ধৰ্মাৱলম্বীসকলৰ পবিত্ৰ ঈদ-উজ-জোহা উদযাপন কৰা হ'ব বুলি কেন্দ্ৰীয় হিলাল কমিটী অসমৰ  প্ৰকাশ।

এয়াই আছিল আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০

ঃসমাপ্তঃ